**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

_______________

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়াধীশ আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে আশুতোষ কুমাৰ পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত হৈ আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ইয়াৰ পিছতে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে  পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল। কলেজিয়ামৰ অনুমোদনৰ ভিত্তিত কালি আইন আৰু ন্যায় মন্ত্ৰালয়ে আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে।

০০০০০০

মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত কৰা ৰাজ্যৰ সাতখন শিক্ষানুষ্ঠানত কালি উপাচাৰ্য নিযুক্তি দিয়া হয়। যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ত অধ্যাপক জ্যোতিপ্ৰসাদ শইকীয়াক, শিৱসাগৰ বিশ্ববিদ্যালয়ত অধ্যাপক মহাদেৱ পাটগিৰিক, নগাঁও বিশ্ববিদ্যালয়ত অধ্যাপক হিতেশ ডেকাক, উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ত অধ্যাপক মুকুল বৰাক, বঙাইগাঁও বিশ্ববিদ্যালয়ত অধ্যাপক তাৰিণী চন্দ্ৰ ডেকাক, শিলচৰৰ গুৰুচৰণ বিশ্ববিদ্যালয়ত অধ্যাপক নিৰঞ্জন ৰয়ক আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ত অধ্যাপক গণেশ চন্দ্ৰ ৱাৰিক উপাচাৰ্য পদত নিযুক্তি দিয়া হৈছে। এই উপাচাৰ্য নিযুক্তিৰ পাছতেই কেউখন বিশ্ববিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়াসহ অন্যান্য বিদ্যায়তনিক কাম-কাজ আৰম্ভ কৰিব পৰা যাব। উল্লেখযোগ্য যে  ২০২৩ চনত অসম চৰকাৰে ৭ খন নতুন বিশ্ববিদ্যালয় আইন গৃহীত কৰিলেও শিৱসাগৰ বিশ্ববিদ্যালয়ৰ বাহিৰে আন বিশ্ববিদ্যালয় কেইখনত উপাচাৰ্য নিযুক্তি নিদিয়াত বিদ্যায়তনিক কাম-কাজ আৰম্ভ কৰিব পৰা হোৱা নাছিল।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ঘাঁহনি অঞ্চলত বিচৰণ কৰা পক্ষীৰ  জৰীপ সম্পন্ন হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক ড° সোণালী ঘোষে এই কথা প্ৰকাশ কৰি এই জৰীপত মুঠ ৪৩টা প্ৰজাতিৰ পক্ষীৰ বিচৰণ নিশ্চিত কৰিছে। ইয়াৰ ভিতৰত এটা অতি বিপন্ন আৰু দুটা বিপন্নপ্ৰায় প্ৰজাতিৰ পক্ষীৰ উপস্থিতি ধৰা পৰিছে বুলি তেওঁ প্ৰকাশ কৰে। সঞ্চালকগৰাকীয়ে কয়, যে প্ৰথমবাৰৰ বাবে কাজিৰঙাত হোৱা এই জৰীপৰ ফলাফল অতি সন্তোষজনক। বিপন্ন প্ৰজাতিৰ পক্ষীবিদ বেংগল ফ্লৰিকান বুলিও সঞ্চালকগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে দুটা পদ্ধতিৰে এই জৰীপ চলোৱা হৈছিল। 'পইণ্ট কাউণ্ট' শীৰ্ষক জৰীপত প্ৰতি ১৫ মিনিটৰ মূৰে মূৰে ঘাঁহনি অঞ্চলত পক্ষীৰ জৰীপ চলায়। একেদৰে 'একষ্টিক' শীৰ্ষক জৰীপত পক্ষীৰ মাত যন্ত্ৰৰ দ্বাৰা বাণীবদ্ধ কৰা হয়। এই জৰীপত বিপন্ন প্ৰজাতিৰ ফিন্জ উইভাৰ বা টোকোৰা চৰাইৰ এটা প্ৰজনন ক'লনি কঁহৰা বনাঞ্চলত প্ৰত্যক্ষ কৰা হয়। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ লগতে বিজ্ঞানীৰ দল, দক্ষ পক্ষীৰ নিৰীক্ষক আৰু গৱেষকে এই জৰীপ সম্পন্ন কৰে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিবৃতিযোগে প্ৰকাশ কৰে। কাজিৰঙা আৰু ইয়াৰ আশে-পাশে পূব অসম, বিশ্বনাথ আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডলক সামৰি কৰা এই জৰীপ সন্দৰ্ভত উদ্যানখনৰ তৰফৰ পৰা প্ৰতিবেদন প্ৰকাশ কৰা হৈছে।

০০০০০০

জনজাতি গৌৰৱ বৰ্ষৰ অংশ হিচাপে কালি শিৱসাগৰ জিলাৰ ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি প্ৰতিষ্ঠানত ৱেল্ডিং আৰু ফেব্ৰিকেচনৰ পাঁচদিনীয়া দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ হয়। এই আবাসিক প্ৰশিক্ষণ কাৰ্যসূচীত বহুকেইগৰাকী ছাত্ৰী তথা জনজাতি প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। পেট্ৰ'লিয়াম খণ্ডত দক্ষ মানৱ সম্পদ সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা এই কাৰ্যসূচী কালি প্ৰতিষ্ঠানখনৰ অধ্যক্ষ ড° হৰিশ হিৰাণীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অ' এন জি চিৰ সদৌ ভাৰত অনুসূচিত জাতি-জনজাতি কৰ্মচাৰী কল্যাণ সন্থাৰ সভাপতি দেম্বিৰাম পাংগিঙে এই পদক্ষেপৰ শলাগ লয়। এনে কাৰ্যসূচীৰ জৰিয়তে পিছপৰা জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি শ্ৰীপাংগিঙে মন্তব্য কৰে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি স্বচ্ছতা পযেকৰ অংশ হিচাপে শৈক্ষিক প্ৰতিষ্ঠানটোৰ আখৈফুটিয়া গোঁহাই গাঁৱৰ চৌহদত গছপুলি ৰোপন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই ৰোগত আক্ৰান্ত হৈ কেইবাজনো লোকে প্ৰাণ হেৰুওৱাৰ লগতে বহুলোক চিকিৎসাধীন হৈ আছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাতো কমেও ২০৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। নলবাৰী, গোলাঘাট আৰু দৰং জিলাত সৰ্বাধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। নলবাৰীত ১৯, গোলাঘাট আৰু দৰঙত ১৮ জনকৈ লোক এই ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে। ৰোগৰ ফলত ২৪ জন লোকৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ ধেমাজি জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। চিলাপথাৰত এই ৰোগত আক্ৰান্ত হৈ এটি পাঁচবছৰীয়া শিশুৰ মৃত্যু হয়। অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত কেইবাদিন ধৰি চিকিৎসাধীন হৈ থকা অৱস্থাত কালি শিশুটিৰ মৃত্যু ঘটে। জিলাখনত এইপৰ্যন্ত তিনিজন ৰোগীয়ে এই ৰোগত প্ৰাণ হেৰুৱাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ১৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৭ জনৰ শৰীৰত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। আক্ৰান্তসকলক ধেমাজি অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু গুৰুতৰভাৱে আক্ৰান্ত ৰোগীসকলক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। জিলা স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঠায়ে ঠায়ে ফ'গিং কৰাৰ লগতে আঁঠুৱা ঔষধিকৰণ আৰু সজাগতামূলক কাৰ্যমূলক কাৰ্যসূচী গ্ৰহণ কৰিছে।

০০০০০০

ডিব্ৰুগড়ৰ খনিকৰত কালি মটক স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয়ত শিক্ষিত যুৱক-যুৱতীসকলৰ বাবে দক্ষতা বিকাশ আৰু আত্মনিয়োগৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত প্লামবাৰৰ লগতে আৰু এয়াৰ কণ্ডিচনাৰ মেৰামতিৰ প্ৰশিক্ষণ দিয়া হয়। মটক স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী ডেভিড চেতিয়াই এই কৰ্মশালা মুকলি কৰে। অঞ্চলটোৰ ভালেসংখ্যক যুৱক-যুৱতীয়ে এই প্ৰশিক্ষণ কৰ্মশালাত অংশগ্ৰহণ কৰে।

০০০০০০

সমাপ্ত